**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১। জলবায়ু পৰিৱৰ্তনে সাম্প্ৰতিক সময়ত জলচক্ৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ জনসাধাৰণক পানীৰ পৰ্যাপ্ত সংৰক্ষণ আৰু জল সুৰক্ষা নিশ্চিত কৰাৰ বাবে আহ্বান জনাইছে।

২। বিশ্বই সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা উচিত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি বিয়লি নতুন দিল্লীত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত ষ্টাৰ্ট আপ খণ্ডৰ অংশীদাৰসকলৰ সৈতে প্ৰাক বাজেট আলোচনাত মিলিত হয়।

৪। বিহাৰত এন ডি এৰ নৱ নিৰ্বাচিত বিধায়কসকলৰ নেতা বাচনি কৰাৰ বাবে কাইলৈ পাটনাত বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। ***আৰু***

৫। অন্ধ্ৰপ্ৰদেশৰ আল্লুৰী সীতাৰামা ৰাজু জিলাৰ মাৰেডুমিল্লি অঞ্চলত আৰক্ষীৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষত এজন শীৰ্ষ নেতাসহ ৬জন মাওবাদী বিদ্ৰোহীৰ মৃত্যু হয়।

০০০০

জলবায়ু পৰিৱৰ্তনে সাম্প্ৰতিক সময়ত জলচক্ৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ জনসাধাৰণক পানীৰ পৰ্যাপ্ত সংৰক্ষণ আৰু জল সুৰক্ষা নিশ্চিত কৰাৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত আজি ষষ্ঠ ৰাষ্ট্ৰীয় জল বঁটা ২০২৪ আৰু প্ৰথম জল সঞ্চয় জনঅংশীদাৰী বঁটা প্ৰদান কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে সীমিত জল সম্পদৰ পৰিপ্ৰেক্ষিতত পানীৰ যথাযথ ব্যৱহাৰ দেশৰ ভৱিষ্যতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে যোৱা বছৰ আৰম্ভ কৰা পানী সংৰক্ষণ জন অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত ভূগৰ্ভৰ জলস্তৰ উন্নীত কৰাৰ বাবে ৩৫ লাখৰো অধিক পৰিকাথামো নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে পুৰস্কাৰ বিজেতাসকলক পানী সংৰক্ষণৰ প্ৰচেষ্টাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। জলশক্তি মন্ত্ৰী চি আৰ পাটিল, জল সংৰক্ষণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ভি চোমন্না আৰু ৰাজভূষণ চৌধুৰী অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাওঁ পঞ্চায়ত, শ্ৰেষ্ঠ স্থানীয় নগৰ নিকায়, শ্ৰেষ্ঠ প্ৰতিষ্ঠান, শ্ৰেষ্ঠ বিদ্যালয় আৰু শ্ৰেষ্ঠ ব্যক্তিকে ধৰি দহটা শাখাত ৪৬ গৰাকী বিজেতাক পুৰস্কাৰ প্ৰদান কৰা হয়। মহাৰাষ্ট্ৰই শ্ৰেষ্ঠ ৰাজ্যৰ শাখাত প্ৰথম স্থান লাভ কৰে। গুজৰাট আৰু হাৰিয়ানাই দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে।

০০০০

বিশ্বই সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা উচিত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে। ৰাছিয়াৰ মস্কোত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থা - এছ্ চি অ'ৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। ড° জয়শংকৰে কয় যে শেহতীয়া কেইটামান বছৰত সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আৰু উগ্ৰবাদজনিত পৰিস্থিতি অৱনিত ঘটিছে আৰু এই ভাবুকি আওকান কৰিব পৰা নাযায়। তেওঁ লগতে জলবায়ু পৰিৱৰ্তন, মহামাৰী আৰু সংঘৰ্ষৰে ভৰা বৰ্তমান সময়ত মানৱীয় সহযোগ অতিকে গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। তেওঁ কয় যে এখন সভ্য ৰাষ্ট্ৰ হিচাপে ভাৰতে সদায় জনসাধাৰণৰ মাজৰ বিনিময় প্ৰকৃত সম্পৰ্কৰ ভেটি বুলি বিশ্বাস কৰে। ভাৰত দক্ষিণ পূৱ এছিয়াৰ ঐতিহ্যৰ সংৰক্ষণৰ বাবে নিজৰ অভিজ্ঞতা মধ্য এছিয়ালৈ সম্প্ৰসাৰিত কৰিবলৈ ইচ্ছুক বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড° জয়শংকৰে কয় যে চাংহাই সহযোগিতা সংস্থাই পৰিৱৰ্তিত বিশ্ব প্ৰেক্ষাপটৰ সৈতে নিজকে খাপ খোৱাব লাগিব আৰু বিস্তৃত কাৰ্যসূচীৰ সৈতে কৰ্মপন্থাৰ সংশোধন ঘটা লাগিব বুলি ভাৰতে বিশ্বাস কৰে।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি বিয়লি নতুন দিল্লীত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত ষ্টাৰ্ট আপ খণ্ডৰ অংশীদাৰসকলৰ সৈতে প্ৰাক বাজেট আলোচনাত মিলিত হয়। বৈঠকত বিত্তীয় ৰাজ্যমন্ত্ৰী পংকজ চৌধৰী, উদ্যোগ আৰু অভ্যন্তৰীণ বাণিজ্য সংবৰ্ধন বিভাগৰ সচিব, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব আৰু চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা উপস্থিত থাকে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত বাজেট সন্দৰ্ভত মূলধনী বজাৰৰ সৈতে জড়িত একাংশ অংশীদাৰৰ সৈতে চতুৰ্থখন প্ৰাক্ বাজেট আলোচনাত মিলিত হয়।

বিত্ত মন্ত্ৰালয়ে একোটা বিত্তীয় বৰ্ষৰ বাজেট দাখিলৰ পূৰ্বে প্ৰতিবছৰে বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ, উদ্যোগপতি, অৰ্থনীতিবিদ আৰু ৰাজ্যিক বিষয়বৰ্গৰ সৈতে কেইবাখনো প্ৰাক্ বাজেট আলোচনা বৈঠকত মিলিত হয়। ০০০০

০০০০০

বিহাৰত এন ডি এৰ নৱ নিৰ্বাচিত বিধায়কসকলৰ নেতা বাচনি কৰাৰ বাবে কাইলৈ পাটনাত বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এন ডি এৰ ৫ টা অংশীদাৰ দল ক্ৰমে বিজেপি, জনতা দল ইউনাইটেড, লোক জনশক্তি পাৰ্টীৰ ৰামবিলাস ফৈদ, হিন্দুস্তানী আৱাম মৰ্চা আৰু ৰাষ্ট্ৰীয় লোকমৰ্চাৰ বিধায়কসকলে এই বৈঠকত ভাগ লব। মুখ্যমন্ত্ৰী নিতিশ কুমাৰ পুনৰ এন ডি এৰ বিধায়িনী দলৰ নেতা ৰূপে নিৰ্বাচিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছত এন ডি এৰ বিধায়িনী দলৰ নেতাগৰাকীয়ে ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰিব।

ইয়াৰ পূৰ্বে বিজেপি আৰু জে ডি ইউ দলে তেওঁলোকৰ বিধায়িনী দলৰ নেতা বাচনি কৰিব। ইয়াৰ বাবে কাইলৈ দুয়োটা দলৰ সুকীয়া বৈঠক অনুষ্ঠিত হোৱাৰ কথা।

ইপিনে, এন ডি এৰ এটা গুৰুত্বপূৰ্ণ অংশীদাৰ দল বিজেপি আৰু জে ডি ইউৰ মাজত চৰকাৰৰ গঠনি, মন্ত্ৰীসভাৰ আকাৰ আৰু বিভিন্ন অংশীদাৰ দলৰ মাজত মন্ত্ৰী পদৰ বিতৰণক লৈ আলোচনা চলি আছে।

পাটনাৰ ঐতিহাসিক গান্ধী ময়দানত শপত গ্ৰহণ অনুষ্ঠানত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পৰহিলৈ শপত গ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু এন ডি এৰ জ্যেষ্ঠ নেতাসকল শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থকাৰ সম্ভাৱনা আছে। ইপিনে, ৰাজ্যিক মন্ত্ৰীসভাই সপ্তদশ

বিধানসভা ভংগ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কাইলৈ ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিব আৰু ইয়াৰ পাছতে নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰিব। ০০০০

০০০০

বিজেপিয়ে বিহাৰত বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ বাবে উত্তৰ প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্যক কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সাধৱী নিৰঞ্জন জ্যোতিক  কেন্দ্ৰীয় সহ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা হৈছে। বিজেপিৰ  সংসদীয় দলে আজি এই পৰ্যবেক্ষক কেইগৰাকীৰ নিয়োগত অনুমোদন জনায়।

০০০০০

ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰে পৰা ভোটদাতাসকলৰ মাজত ৫০ কোটি ৯৭ লাখৰো অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই সংখ্যা দ্বিতীয় পৰ্যায়ৰ সামৰি লবলগীয়া ৫১ কোটি ভোটদাতাৰ প্ৰায় ৯৮ দশমিক ৫-৪ শতাংশ। দেশৰ ৯ খন ৰাজ্য আৰু ৩ টা কেন্দ্ৰীয় শাসিত অঞ্চলত যোৱা ৪ নৱেম্বৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে। আয়োগে প্ৰকাশ কৰা মতে, উত্তৰ প্ৰদেশৰ ১৫ কোটিৰো অধিক আৰু পশ্চিমবংগত ৭ কোটিৰো অধিক প্ৰপত্ৰ বিতৰণ কৰা হৈছে।

ভোটাৰ তালিকাৰ ব্যাপক সংশোধন প্ৰক্ৰিয়া অহা বছৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পাছত সামৰণি পৰিব।

০০০০০

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ৰাজ্যত আজি ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। নিৰ্বাচন আয়োগে অসমৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ কালি জাৰি কৰা নিৰ্দেশনা অনুসৰি ২০২৬ চনৰ ১ জানুৱাৰীক ভিত্তি দিন হিচাপে লৈ ভোটাৰ তালিকাৰ বিশেষ সংশোধনী কৰা হ'ব। এই অনুসৰি আজিৰ পৰা এই সম্পৰ্কীয় নথি পত্ৰ ছপা আৰু নিৰ্বাচনৰ সৈতে জড়িত বিষয়া কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। ২২ নৱেম্বৰৰ পৰা বি এল অ' সকলে ভোটাৰৰ ঘৰে ঘৰে গৈ নথি-পত্ৰসমূহ পৰীক্ষা কৰিব। ২১ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰৰ ভিতৰত সমন্বিত খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হ'ব। ২৭ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত থকা দাবী আৰু ওজৰ আপত্তিসমূহ ২ ফ্ৰেব্ৰুৱাৰীৰ ভিতৰত নিষ্পত্তি কৰা হ'ব। অহা বছৰৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে জাৰী কৰা জাননী অনুযায়ী সংবিধানৰ ৩২৬ ধাৰাৰ অধীনত আৰু ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১৬ আৰু ১৯ নম্বৰ অনুচ্ছেদৰ অধীনত ৰাজ্যখনত বসবাস কৰা আৰু ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হ'বলগীয়া নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব।

নিৰ্বাচন আয়োগৰ এই সিদ্ধান্তক অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনাই কয় যে, ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ জৰিয়তে অসমে এখন নিকা আৰু উন্নত ভোটাৰ তালিকা লাভ কৰিব। নিৰ্বাচন আয়োগক এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে অসমৰ বাবে নাগৰিকত্ব আইনৰ বিশেষ ধাৰা থকাৰ কাৰণে ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে অসমৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ নিৰ্দেশনা দিয়া নাছিল। যোৱা মাহত নিৰ্বাচন আয়োগে চত্তিশগড়,

গোৱা, কেৰেলা, গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, পুডুচেৰী, আন্দামান নিকোবৰ দ্বীপপুঞ্জ আৰু লাক্ষাদ্বীপত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ নিৰ্দেশনা জাৰি কৰিছিল।

০০০০

অন্ধ্ৰপ্ৰদেশৰ আল্লুৰী সীতাৰামা ৰাজু জিলাৰ মাৰেডুমিল্লি অঞ্চলত আৰক্ষীৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষত এজন শীৰ্ষ নেতাসহ ৬জন মাওবাদী বিদ্ৰোহীৰ মৃত্যু হয়। ৰাজ্যখনৰ আৰক্ষী সঞ্চালক প্ৰধান হৰিশ কুমাৰ গুপ্তাই কয়, যে মাওবাদী দলটোৰ আন্দোলন সম্পৰ্কে বিশ্বাসযোগ্য চোৰাংচোৱাৰ তথ্য লাভ কৰাৰ পাছত এই মুখামুখি সংঘৰ্ষ সংঘটিত হৈছিল। মাওবাদী বিৰোধী অভিযানৰ সময়ত কোনো নিৰাপত্তাৰক্ষী আহত হোৱা নাই বুলি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে উল্লেখ কৰে। আৰক্ষী মহা পৰিদৰ্শক সুন্দৰ ৰাজ পিয়ে মাওবাদী নেতাগৰাকীৰ মৃত্যু মাওবাদী বিৰোধী প্ৰচেষ্টাৰ এটা লেখতলবলগীয়া ঘটনা বুলি অভিহিত কৰে। মুখামুখি সংঘৰ্ষ সংঘটিত স্থানৰ পৰা এটা এ কে -৪৭ ৰাইফল, অন্যান্য বিস্ফোৰককে ধৰি অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে। মাৰেডুমিল্লি, বিজয়ৱাড়া, এন টি আৰ আৰু কাকিনাদা জিলাত নিৰাপত্তা বাহিনীৰ তালাচী অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজয়ৱাড়াত চলি থকা মাওবাদী বিৰোধী অভিযানৰ বাবে মহিলাসহ ২৭ জন সন্দেহযুক্ত মাওবাদীক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা সুদৃঢ় কৰি তোলা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ২০২৬ চনৰ ভিতৰত মাওবাদী নিৰ্মূল কৰা অভিযানৰ অংশ হিচাপে এই মুখামুখি সংঘৰ্ষ সংঘটিত কৰা হৈছিল যদিও ৰাজ্যখনৰ বিষয়াসকলে জানিবলৈ দিয়ে। কৰ্তৃপক্ষই মাওবাদী অধ্যুষিত অঞ্চলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ জনসাধাৰণক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈও আহ্বান জনায়।

০০০০

ঃঃ সমাপ্ত ঃঃ